দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...শতিতম বছৰ, সংখ্যা ২৫৯ ● দেওবাৰ ● ১৬ জেঠ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday May 31, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰ...

## য়ুথ হোষ্টেল এছ'চিয়েশ্যন অব্ ইণ্ডিয়াৰ ডিব্ৰুগড় গোট গঠন

ডিব্ৰুগড়ঃ ষ্টাফ ৰিপৰ্টাৰ, ৩০ মে' ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাকক্ষত অনুষ্ঠিত এক সভাত য়ুথ হোষ্টেল এছ'চিয়েশ্যন অব্ ইণ্ডিয়াৰ অধ্যক্ষ হিচাপে ড° শশীকান্ত শইকীয়াক আৰু সম্পাদক হিচাপে বিতুমণি ফুকন আৰু হৰজিন্দৰ সিঙক নিৰ্বাচন কৰা হয়। ২৯ মে'ৰ বিয়লি অনুষ্ঠিত সাধাৰণ সভাত এছ'চিয়েশ্যনৰ অসম ৰাজ্যিক সমিতিৰ অধ্যক্ষা ড° মৰমী গোস্বামী, ৰাজ্যিক সাংগঠনিক সম্পাদক পূৰবী দেৱী, কোষাধ্যক্ষ পল্লৱ কুমাৰ শৰ্মা উপস্থিত থাকে। উদ্দেশ্য ব্যাখ্যা কৰে হৰজিন্দৰ সিঙে। সভাৰ পূৰ্বে সকলোকে আদৰণি জনাই তদৰ্থ সমিতিৰ ডিব্ৰুগড় শাখাৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে সমগ্ৰ বিশ্বৰ যুৱক-যুৱতী আৰু ভ্ৰমণকাৰীসকলৰ বাবে য়ুথ হোষ্টেল অতি নিৰ্ভৰযোগ্য, কম খৰচী আৰু সুৰক্ষিত আৱাসিক ব্যৱস্থা। ১৯৩২ চনত এই সংস্থাটো গঠন কৰা হৈছিল বুলি তেওঁ কয়। কম খৰচী মানসম্পন্ন বাসস্থান, ঘৰৰ বাহিৰত আন এখন ঘৰ, সুৰক্ষা আৰু চাফ-চিকুণতা, গোলকীয় যোগাযোগ আদিৰ ক্ষেত্ৰত এনে হোষ্টেলসমূহে বিশ্বজুৰি সহায় কৰি আহিছে বুলি কয়। উল্লেখযোগ্য যে সমগ্ৰ বিশ্বৰ ৯০খনৰো অধিক দেশত এই অনুষ্ঠানৰ প্ৰায় ২৩০০ টা শাখা ইতিমধ্যে গঠিত হৈছে। ভাৰতৰ হিমাচল প্ৰদেশ, কেৰালা, গোৱা, দিল্লীকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানত এনে হোষ্টেল গঢ় লৈ উঠিছে। এই য়ুথ হোষ্টেল এছ'চিয়েশ্যন ট্ৰেকিং, বাইকিং, নেচাৰ ষ্টাডি, এডভেঞ্চাৰ, ইক' টুৰিজিম আদিৰ বাবে বিভিন্ন ঠাইলৈ যোৱা ব্যক্তিসকলৰ বাবে অতি কম খৰচত আৰু সুৰক্ষিতভাৱে থকাৰ ব্যৱস্থা কৰি দিয়ে। সভাত সভাপতি ৰূপে ড° দিলীপ কুমাৰ ভুঞা, উপ-সভাপতি ৰূপে অমিত কেডিয়া আৰু ড° জ্যোতি প্ৰসাদ ফুকন, কোষাধ্যক্ষ হিচাপে সুবীৰ কেজৰিৱাল, কাৰ্যনিৰ্বাহ সদস্য হিচাপে মমী গগৈ, কনকচম্পা বুঢ়াগোহাঁই, ময়ূৰী বৰুৱা, দীপিকা বৰা, পদ্মলতা য়েইন, কল্পনা বুজৰবৰুৱা, সুজাতা চৌধুৰী, ব্ৰিস্মি বৰকাকতী, ৰুণুমী দত্ত, আদিত্য দাহাল, ড° মৌচুমী হাজৰিকা, বিনি শইকীয়াক দায়িত্ব প্ৰদান কৰা হয়। আনহাতে, দুঃসাহসিক কাৰ্যসূচী উন্নয়নৰ সমিতিৰ অধ্যক্ষ ময়ূৰী বৰুৱা, পাৰিৱেশ সুৰক্ষা সমিতিৰ অধ্যক্ষ সুবীৰ কেজৰিৱাল, সাংস্কৃতিক উন্নয়নৰ অধ্যক্ষ সুজাতা চৌধুৰী আৰু হোষ্টেল উন্নয়ন সমিতিৰ অধ্যক্ষ সঞ্জয় আগৰৱালাক সভাই দায়িত্ব অৰ্পণ কৰে। যোৱা এবছৰে তদৰ্থ সমিতিৰ অধ্যক্ষ হিচাপে ড° শশীকান্ত শইকীয়া আৰু সম্পাদক হিচাপে ড° বিৰাজ দত্তই দায়িত্ব পালন কৰাৰ পাছত তিনি বছৰৰ বাবে সমিতিখন পূৰ্ণাংগ ৰূপত গঠন কৰা হয়।

